অধ্যায় ১২ ঃ টেলিভিছন অনুষ্ঠানৰ প্ৰকাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ সংবাদ
১২.৪ সাময়িক প্ৰসংগ
১২.৫ পেনেল আলোচনা
১২.৬ সাক্ষাৎকাৰ
১২.৭ তথ্যচিত্ৰ
১২.৮ শৈক্ষিক টেলিভিছন
১২.৯ মনোৰঞ্জন
১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১১ অধিক জানিবলৈ
১২.১২ অগ্ৰগতিৰ খতিয়ান
১২.১৩ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- টেলিভিছনৰ বিভিন্ন অনুষ্ঠান আৰু ইয়াৰ প্ৰকাৰবোৰৰ বিষয়ে জানিব পাৰিব
- ভিন্ন ৰুচিসম্পন্ন দৰ্শকৰ বাবে কি দৰে বিভিন্ন সাক্ষাৎকাৰ, তথ্যচিত্ৰ, শৈক্ষিক, মনোৰঞ্জনমূলক আৰু অন্যান্য অনুষ্ঠান সম্প্ৰচাৰ কৰা হয় সেই বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

আগৰ অধ্যায়টিত আমি অনুষ্ঠান প্ৰযোজনাৰ ভিন্ন স্তৰ, কেমেৰা আৰু ইয়াৰ পৰিচালনা, সম্পাদনা শৈলী, বৈদ্যুতিক ক্ষেত্ৰ ভিত্তিক প্ৰযোজনা আৰু সংবাদ যুগুতোৱা আদিৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়টিত আমি টেলিভিছন সংবাদৰ বিভিন্ন প্ৰকাৰ, যেনে- বুলেটিন, ব্ৰেকিং নিউজ ইত্যাদিৰ সৈতে পৰিচিত হ'ব। বিভিন্ন ধৰণৰ অথ্যচিত্ৰ, চলচিত্ৰ, বিভিন্ন ধৰণৰ সাক্ষাৎকাৰ, পেনেল আলোচনা, সাময়িক পৰিঘটনা, শৈক্ষিক অনুষ্ঠান আৰু ইয়াৰ গুৰুত্ব আদিৰ বিষয়েও অধ্যায়টিত আলোচনা কৰা হ'ব।

১১.৩ বাতৰি

সাময়িক পৰিঘটনাবোৰ যেতিয়া টেলিভিছন মাধ্যমেৰে সম্প্ৰচাৰ কৰা হয়, তেতিয়া তাক টেলিভিছন সংবাদ বুলি কোৱা হয়। যেতিয়া কোনো যুদ্ধ, দুৰ্যোগ অথবা কোনো গুৰুত্বপূৰ্ণ ঘটনা সংঘটিত হয়, তেতিয়া টেলিভিছন সংবাদে কেৱল পোনপটীয়া তথ্যৰ যোগান ধৰাই নহয়, দৰ্শকক ঘটনাবোৰৰ দৃশ্যংও প্ৰত্যক্ষ কৰোৱায়। মুম্বাইত সংঘটিত হোৱা ২৬/১১ ৰ সন্ত্ৰবাদী আক্ৰমণৰ সময়ত বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় টেলিভিছন ছেনেলে ইয়াৰ পোনপটীয়া সম্প্ৰচাৰ কৰিছিল। এই পোনপটীয়া সম্প্ৰচাৰৰ ভিত্তিতেই সমগ্ৰ দেশ তথা বিশ্বই ঘটনাটোক লৈ শোক আৰু ক্ষোভ প্ৰকাশ কৰিছিল। সংবাদ বুলেটিন আৰু নিউজকাষ্টে যিবোৰ পৰিঘটনা সম্প্ৰচাৰ কৰে সেইবোৰ কেইটামান ছেকেণ্ড অথবা কিছু ঘণ্টালৈহে টিকি থাকে। সংবাদ ছেনেলসমূহে প্ৰত্যেকৰে দৈনিক নিৰ্ধাৰিত সময়সূচী অনুসৰি সংবাদ পৰিবেশন কৰিব পাৰে। এই সংবাদসমূহ বিভিন্ন স্থানীয়, আঞ্চলিক, ৰাষ্ট্ৰীয় অথবা আন্তঃ ৰাষ্ট্ৰীয় ঘটনা-পৰিঘটনাৰ ওপৰত ভিত্তি কৰি যুগুতোৱা হয়। সংবাদ, ষ্টুডিঅ'ত পূৰ্বৰে পৰা ৰেক'ৰ্ড কৰি ফুটেজ (footage) ৰ জৰিয়তে, পোন, পটীয়া সম্প্ৰচাৰৰ মাধ্যমেৰে অথবা সংবাদ এজেঞ্চি সমূহৰ পৰা সংগ্ৰহ কৰি (outsourcing) সম্প্ৰচাৰ কৰা হয়। মাজে-সময়ে শেহতীয়া বিশেষ সংবাদৰ (breaking news)ৰ বাবে টেলিভিছনৰ নিয়মীয়া অনুষ্ঠান-সমূহৰ সম্প্ৰচাৰত বাধা জন্মে। কিয়নো এনেবোৰ সংবাদ তাৎক্ষণিকভাৱে সম্প্ৰচাৰ কৰিবলগীয়া হয়। আগশাৰীৰ সংবাদ ছেনেলবোৰে সন্ধিয়া 'প্ৰাইম টাইম' (prime time) নামৰ এক সংবাদ অনুষ্ঠানৰ সম্প্ৰচাৰ কৰে। মাজে-সময়ে ৰাতিপুৱাৰ সময়খিনিতো কিছু ঘণ্টা ধৰি এনে 'প্ৰাইম টাইম' সংবাদ সম্প্ৰচাৰ কৰা দেখা যায়। স্থানীয় ছেনেলবোৰে নিজস্ব ষ্টুডিঅ' সৰঞ্জামৰ সহায়ত সংবাদ সম্প্ৰচাৰ কৰে। এই সৰঞ্জামসমূহ নেটৱ'ক আইনৰ দ্বাৰা স্বীকৃত হোৱাটো বাঞ্ছনীয়। ছেনেলবোৰে বয়স, আৰ্থ-সামাজিক গোট অথবা কোনো এক স্থানৰ জনসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ন শ্ৰেণীৰ দৰ্শকৰ বাবে সংবাদ অনুষ্ঠানৰ ভিন্ন সময়সূচী তৈয়াৰ কৰিব পাৰে।

টেলিভিছন সংবাদৰ প্ৰকাৰ

সংবাদ সংগ্ৰহ আৰু সম্প্ৰচাৰৰ বিভিন্ন প্ৰকাৰ আছে। এই প্ৰকাৰবোৰ তলত আলোচনা কৰা হ'ল-

শেহতীয়া বিশেষ সংবাদৰ (breaking news)ঃ

শেহতীয়া বিশেষ সংবাদ (breaking news) হ'ল যিকোনো সাময়িকভাৱে উদ্ভৱ হোৱা ঘটনা-পৰিঘটনাৰ বিৱৰণ। এনেবোৰ সংবাদ তাৎক্ষণিকভাৱে দৰ্শকৰ বাবে সম্প্ৰচাৰ কৰিব লাগে। শেহতীয়া বিশেষ সংবাদ (breaking news) এ সেইবোৰ ঘটনা সূচায় যিবোৰ অনাকাংক্ষিত ভাৱে আৰু আচম্বিতে উদ্ভৱ হয়। যেনে- ভূমিকম্প, দূৰ্ঘটনা, উৰাজাহাজ দূৰ্ঘটনা ইত্যাদি। শেহতীয়া বিশে, সংবাদৰ (breaking news) ৰ ঘটনাবোৰ প্ৰতিদিনে সংঘটিত হোৱা বিধৰ নহয়। এই ঘটনাবোৰ কাচিৎহে সংঘটিত হয় আৰু এনে ধৰণৰ ঘটনাৰ সংবাদ যুগুত কৰাটো সাধাৰণতে খুব

জটিল আৰু বিভ্ৰান্তিকৰ হ'ব পাৰে। প্ৰায়ে সাংবাদিকসকলৰ মাজত কোনে প্ৰথমে ঘটনাস্থলীলৈ গৈ তথ্য সংগ্ৰহ কৰিব সেই লৈ দৌৰাদৌৰি লগাটো পৰিলক্ষিত হয়। এনেদৰে খৰধৰকৈ যুগুত কৰা সংবাদসমূহ প্ৰায়ে আঁসোৱাহযুক্ত অথবা অসম্পূৰ্ণ হৈ ৰোৱাৰ সম্ভাৱনা থাকে।

পৰিকল্পিত গুৰুত্বপূৰ্ণ ঘটনাঃ

কোনো এক ঘটনা সংঘটিত হোৱাৰ আগতেই সাংবাদিক সকলে সংবাদ সংগ্ৰহৰ আগতীয়া পৰিকল্পনা কৰিব পাৰে। যিহেতু সংবাদগোষ্ঠীবোৰ চহৰ এখনৰ আশে-পাশে অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠান তথা ক্ৰিয়াকলাপ সম্পৰ্কে সজাগ হৈ থাকে, সেয়েহে সাংবাদিকসকলে বিভিন্ন সংবাদ যুগুতাবলৈ আগতীয়াকৈ পৰিকল্পনা কৰাৰ যথেষ্ট সময় পায়। এনেকুৱা পৰিস্থিতিত সাংবাদিক গৰাকীয়ে সংবাদ যুগুতোৱাৰ নিয়মাৱলীসমূহ নিজে নিৰ্ধাৰণ কৰাৰ সূযোগ পায়। উদাহৰণস্বৰূপে, ঘটনাটো কিমানখিনিলৈকে তেওঁলোকে দৰ্শকক দেখুৱাব অথবা সংবাদটো কেনেদৰে প্ৰস্তুত কৰিব, কেমেৰাটো কেনেদৰে পৰিচালনা কৰিব, ব্যক্তি বিশেষক কেনেদৰে সোধ-পোচ কৰিব ইত্যাদি দিশ সাংবাদিকসকলে পূৰ্বতে নিৰ্ধাৰণ কৰি ল'ব পাৰে।

পোনপটীয়া সংবাদ প্ৰতিবেদন প্ৰেৰণঃ

প্ৰায় সকলোবোৰ সংবাদ ছেনেলে দেশজুৰি পোনপটীয়া সংবাদ সম্প্ৰচাৰ কৰে। প্ৰযুক্তি বিদ্যাৰ বিকাশৰ লগে লগে সংবাদসমূহ ঘটনাস্থালীৰ পৰাই পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ সুবিধা হৈছে। ঘটনাবোৰ ৰেকৰ্ড কৰিবলৈ আৰু দৃশ্য সংকেত প্ৰেৰণ কৰিবলৈ প্ৰথম জৰুৰী আহিলা দুবিধ হ'ল-এটা পেচাদাৰী ভিডিঅ' কেমেৰা আৰু এটা অনুভাষ যন্ত্ৰ। ভাম্যমান পৰিচালনা নিয়ন্ত্ৰণ কক্ষটোক (PCR) 'পৰিচালনা ট্ৰাক', ''ভ্ৰাম্যমান গোট,'' 'ৱিম'ট ট্ৰাক', 'লাইভ ট্ৰাক', 'অ'বি ভেন' অথবা 'লাইভ আই' আদি নামেৰে জনাযায়। এই বাহন খনত ঘটনাস্থলীৰ পৰা কোনো সংবাদ পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব পৰা প্ৰয়োজনীয় সকলো সা-সঁজুলি মজুত থাকে। আমেৰিকা যুক্তৰাষ্ট্ৰত 'অ'বি ভেন' খন পৰিচালনা ট্ৰাকখনতকৈ সৰু হয় আৰু ঘটনাস্থালীত ইয়াক পৰিচালনা কৰাৰ বাবে সাধাৰণতে দুই নাইবা তিনিগৰাকী লোকৰ প্ৰয়োজন হয় । Digital Satellite News Gathering (DSNG) নামৰ বাহনখনক দৃশ্য সংকেত ষ্টুডিঅ'লৈ প্ৰেৰণ অথবা পোনপটীয়া সম্প্ৰচাৰৰ বাবে ব্যৱহৃত আহিলাসমূহ পৰিচালনা কৰাৰ কামত ব্যৱহাৰ কৰা হয়।

টেইপড ৰেকৰ্ড কৰি ৰখা সংবাদ (Taped Stories) ঃ

নিউজকাষ্টত ব্যৱহাৰৰ বাবে এটি দলে ঘটনাসমূহৰ দৃশ্যগ্ৰহণ কৰে, তথ্য সংগ্ৰহ কৰি সংবাদ কাৰ্যলয়লৈ প্ৰেৰণ কৰে আৰু বাতৰিবোৰ প্ৰযোজনা কৰে। ঘটনাসমূহ সম্প্ৰচাৰ হোৱাৰ দিনাই প্ৰযোজনা কৰিব পাৰি নতুবা পৰৱৰ্ত্তী সময়ত সম্প্ৰচাৰৰ বাবেও প্ৰযোজনা কৰি ত'ব পাৰি। পূৰ্ব-প্ৰযোজিত ঘটনাসমূহ এক বিস্তৃত পৰিসৰত প্ৰস্তুত কৰা হয়। এই বিষয়সমূহ তাৎক্ষণিক, জৰুৰী, মনোগ্ৰাহী, তথ্য ভিত্তিক অথবা সাধাৰণভাৱে মনোৰঞ্জন প্ৰদানকাৰী ইত্যাদি বিভিন্ন প্ৰকাৰৰ হ'ব

পাৰে। এনে সংবাদসমূহ কোনো সাংবাদিকৰ পৰিচয়ৰ সৈতে আৰু অথবা পোনপটীয়া সম্প্ৰচাৰ চিহ্নৰে সৈতে সম্প্ৰচাৰিত হয়। সংবাদবোৰৰ জটিলতা আৰু সময়ৰ ওপৰত নিৰ্ভৰ কৰি এইবোৰ প্ৰযোজনা কৰোতে মিনিট, ঘণ্টা, কেইবা দিন অথবা কেইবাসপ্তাহো লাগিব পাৰে।

যিদৰে সংবাদৰ বিভিন্ন প্ৰকাৰ আছে, ঠিক তেনেদৰেই সংবাদ যোগানকাৰী সংস্থা তথা উৎসৰো বিভিন্ন প্ৰকাৰ আছে। সেইবোৰ তলত উল্লেখ কৰা হ'ল-

কেবল নেটৱৰ্ক (Cable network) ঃ

ষ্টাৰ নেট, চি এন এন, ফক্স নিউজ ইত্যাদি ছেনেলসমূহে দিনটো জুৰি সংবাদ আৰু সংবাদৰ লগত জড়িত অনুষ্ঠান সম্প্ৰচাৰ কৰে। যিবোৰ ঘটনাৰ বিস্তৃত সংবাদ সংগ্ৰহৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হয় কেবল সংবাদ নেটৱৰ্কবোৰে তেনে সংবাদ সম্প্ৰচাৰ কৰে। অৰ্থনৈতিক আৰু ৰাজনৈতিক বিবাদ, সাম্প্ৰতিক দুৰ্যোগ অথবা বিভিন্ন দেশৰ মাজত অনুষ্ঠিত হোৱা আলোচনা ইত্যাদি এনে সময়-খৰছী ঘটনাৰ উদাহৰণ। কেবল নেটৱৰ্কৰ 'প্ৰাইম-টাইম'ত জীৱন-আলেখ্য, মুখ্য ঘটনা আৰু গুৰুত্বপূৰ্ণ বিষয়ভিত্তিক সংবাদ প্ৰযোজনাও পৰিৱেশন কৰা হয়।

সম্প্ৰচাৰ নেটৱৰ্ক ঃ

এ বি চি, চি বি এছ, এন বি চি আৰু ফক্স আদি ছেনেলে সন্ধিয়াৰ সংবাদ অনুষ্ঠান, ৰাতিপুৱাৰ সংবাদ অনুষ্ঠান আৰু নিউজ মেগাজিন ভিত্তিক অনুষ্ঠান আদি দেশজুৰি সম্প্ৰচাৰ কৰে। ভাৰতত ৰাষ্ট্ৰীয় প্ৰসাৰ ভাৰতী নিগমৰ অধীনত থকা দূৰদৰ্শন নামৰ ছেনেলৰ সমষ্টিৰ জৰিয়তে কেইবাটাও বিনামূলীয়া (Free to-air) টেলিভিছন অনুষ্ঠান সম্প্ৰচাৰৰ ব্যৱস্থা কৰা হয়। অৰ্থাৎ, ভাৰতত কেবল টেলিভিছনেই হ'ল টিভি অনুষ্ঠান প্ৰযোজনা আৰু পৰিৱেশনৰ প্ৰাথমিক উৎস। ভাৰতত ব্যক্তিগত খণ্ডৰ ছেনেলসমূহৰ বিকাশ ১৯৯৫ চনৰ পৰাহে আৰম্ভ হয়।

স্থানীয় কেন্দ্ৰ ঃ

স্থানীয় কেন্দ্ৰসমূহে প্ৰাথমিকভাৱে স্থানীয় খেল, সংগীত, বতৰ আৰু বজাৰ আদিৰ সংবাদ পৰিৱেশনত গুৰুত্ব আৰোপ কৰে। কোনো সম্প্ৰচাৰ নেটৱৰ্কৰ অধীনস্থ অথবা স্বীকৃতিপ্ৰা প্ত স্থানীয় কেন্দ্ৰসমূহে সেই নেটৱৰ্কটোৰ সংবাদ অনুষ্ঠানবোৰ সম্প্ৰচাৰ কৰে। স্থানীয়ভাৱে আৰু নেটৱৰ্ক পৰিচালিত অনুষ্ঠানবোৰ কিন্তু পৃথক পৃথক সংবাদকক্ষৰ পৰা সম্প্ৰচাৰিত হয়। সংবাদসমূহ ৰাতিপুৱা সোনকালে সন্ধিয়া হোৱাৰ লগে লগে অথবা ৰাতিৰভাগত সম্প্ৰচাৰিত হ'ব পাৰে। এই সংবাদসমূহ অঞ্চলটোৰ স্থানীয় লোকৰ ৰুচি অথবা তেওঁলোকৰ লগত জড়িত ঘটনাৰ ওপৰত ভিত্তি কৰি যুগতোৱা হয়।

ৰাজহুৱা টেলিভিছন ঃ

ৰাজহুৱা সম্প্ৰচাৰ ব্যৱস্থাৰ অধীনত স্থানীয় ৰাজহুৱা টেলিভিছন কেন্দ্ৰসমূহৰ ব্যৱস্থাৰ অধীনত স্থানীয় ৰাজহুৱা টেলিভিছন কেন্দ্ৰসমূহৰ জৰিয়তে প্ৰতিনিশা একোটা সংবাদ অনুষ্ঠান সম্প্ৰচাৰ কৰা হয়। এই কেন্দ্ৰ সমূহৰ বেছিভাগেই স্থানীয় ৰাজহুৱা প্ৰাসংগিক অনুষ্ঠানো সম্প্ৰচাৰ কৰে।

১১.৪ সাময়িক প্ৰসংগ

১৯৫৩ চনত ব্ৰিটেইনে 'পেনোৰামা' শীৰ্ষক এটি সাময়িক প্ৰসংগৰ অনুষ্ঠান প্ৰযোজনা কৰিছিল। অনুষ্ঠানটোৱে আৰম্ভণিতে দৰ্শকৰ সমাদৰ লাভ কৰিব পৰা নাছিল। পাছলৈ যেতিয়া ইয়াক পুনৰাই সম্প্ৰচাৰ কৰা হয়, এই অনুষ্ঠানটো ব্ৰিটিছ সম্প্ৰচাৰ ব্যৱস্থাৰ এক মুখ্য অনুষ্ঠানটো ব্ৰিটিছ সম্প্ৰচাৰ ব্যৱস্থাৰ এক মুখ্য অনুষ্ঠান হৈ পৰে। ৰজ্মাপ্তৰ চনত আমেৰিকা যুক্তৰাষ্ট্ৰত ৰাজহুৱা প্ৰসংগৰ টেলিভিছন সংস্থা স্থাপন হয়। ইয়াৰ প্ৰথমটো অনুষ্ঠান আছিল 'চি ইট নাও' (See It Now)। যিকোনো সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ মূল উদ্দেশ্য হ'ল কোনো এক বাতৰি অথবা ঘটনাৰ বিষয়ে বহুল তথ্য সম্প্ৰচাৰ কৰা। সাময়িক প্ৰসংগৰ অনুষ্টানবোৰত নিৰ্বাচন, দূৰ্ঘটনা, অৰ্থনীতি, ৰাজনৈতিক ক্ৰিয়া-কলাপ, দূষ্কৃতিকাৰীৰ কাৰ্য, সামাজিক ঘটনাৱলী আদি বিষয় সাঙুৰি লোৱা হয়। এনেধৰণৰ অনুষ্ঠানসমূহৰ বাবে কেতিয়াবা কেইবা সপ্তাহ অথবা মাহ ধৰি অধ্যয়ন তথা গৱেষণা কৰাৰ প্ৰয়োজন হয়। এই অনুষ্ঠানসমূহ জনসাধাৰণৰ বাবে তথ্যৰ এক উৎস। ইয়াক সম্প্ৰচাৰ আৰু ৰাজনীতিৰ মাজৰ এক মৌলিক অন্তৰ্পৃষ্ঠ বুলি গণ্য কৰা হয়। ডিস্ক'ভাৰী ছেনেল, হিষ্ট্ৰী ছেনেল, এনিমেল প্লেনেট, টি এল চি আৰু ভাৰতীয় ছেনেলসমূহ, যেনে- ৰাজ্য সভা টিভি, লোকসভা টিভি আৰু অন্যান্য বহুতো ছেনেল জনসাধাৰণক বিজ্ঞান আৰু প্ৰযুক্তিবিজ্যাৰ শেহতীয়া উদ্ভাৱন মানুহ আৰু সাংস্কৃতিক ঐতিহ্য, অপৰিচিত ঠাই, ৰাজনৈতিক পটভূমি, প্ৰত্নতাত্ত্বিক আৰিষ্কাৰ, সমগ্ৰ বিশ্বৰ মহান ব্যক্তিসকলৰ আকৰ্ষণীয় কাহিনী ইত্যাদিৰ বতৰা দিয়ে।

১২.৫ পেনেল আলোচনা

পেনেল আলোচনা হ'ল এক সু-পৰিকল্পিত মঞ্চ আলোচনা ইয়াত বিজ্ঞ লোকৰ এটি গোটে এক নিৰ্বাচিত বিষয়ৰ ওপৰত নিজস্ব মতামত আগবঢ়ায় আৰু বিষয়টো সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে। পেনেল আলোচনাত আমন্ত্ৰিত ব্যক্তিসকলৰ উপৰি এগৰাকী মধ্যস্থতাকাৰী থাকে যিয়ে আলোচনাটোৰ আঁত ধৰে। পেনেল আলোচনাই দৰ্শকক আলোচিত সমস্যা অথবা বিষয়টো সম্পৰ্কে স্পষ্টভাৱে অৱগত কৰোৱায় আৰু বিষয়টো সম্পৰ্কে বুজ লোৱাত সহায় কৰে। পেনেল আলোচনাৰ অনুষ্ঠান এটাৰ বাবে প্ৰথমে এটা বিষয় অথবা সমস্যা বাছনি কৰি ল'ব লাগে। এই বিষয় অথবা সমস্যাটো সামৰিক প্ৰসংগ, পৰিস্থিতি অথবা কোনো অতি গুৰুত্বপূৰ্ণ ঘটনা হ'ব পাৰে। এনে ঘটনাই জনসাধাৰণ অথবা প্ৰশাসনৰ তাৎক্ষণিক মনোযোগ লাভ কৰে। পেনেলত ভাগ লোৱা ব্যক্তিসকল বিষটো সম্পৰ্কে ভালদৰে অৱগত হোৱাটো বাঞ্ছনীয়। তেওঁলোকে আলোচ্য

বিষয়টো সম্পৰ্কে সঠিক মতামত দিবলৈ সক্ষম হ'ব লাগিব। যিকোনো পেনেল আলোচনাৰ বাবে তিনিৰ পৰা চৰিগৰাকী আমন্ত্ৰিত ব্যক্তি থকাটো যথোচিত। প্ৰযোজনাৰ দায়িত্বত থকা দলটোৱে অনুষ্ঠানটোৰ ৰেকৰ্ডিঙৰ বাবে সময় আৰু তাৰিখ নিৰ্ধাৰণ কৰে। ইয়াৰ ফলত পেলেৰ আলোচনাৰ বাবে আমন্ত্ৰিত ব্যক্তিসকল আৰু মধ্যস্থতাকাৰীগৰাকীয়ে চূড়ান্ত ৰেকৰ্ডিং হোৱাৰ পূৰ্বে নিজকে সাজু কৰাৰ সময় পায়। যি নহওক, মাজে -সময়ে ঘটনা অথবা বাতৰিৰ তাৎপৰ্যৰ ওপৰত ভিত্তি কৰি সংবাদ ছেনেলসমূহে অতি কম সময়ৰ ভিতৰত পেনেল আলোচনা অনুষ্ঠিত কৰিব লগীয়া হয়। সাধাৰণতে, পেনেল আলোচনা অনুষ্ঠিত কৰাৰ বিভিন্ন পৰ্যায় আছে। প্ৰথ ম মধ্যস্থাতাকাৰীগৰাকীয়ে বিষয়টো উত্থাপন কৰে আৰু পেনেলৰ ব্যক্তিসকলে উত্থাপিত বিষয় তথা সমস্যাটোৰ ওপৰত নিজৰ নিজৰ মতামত দাঙি ধৰে। দ্বিতীয়তে, পেনেলত থকা ব্যক্তিসকলে নিজেই প্ৰশ্ন উত্থাপন কৰে অথবা পেনেলৰ সদস্যসকলৰ মতামতক লৈ ভিন্ন প্ৰতিক্ৰিয়া ব্যক্ত কৰে। তৃতীয়তে, মধ্যস্থতাকাৰী অথবা পৃষ্ঠপোষকগৰাকীয়ে আলোচনাটো সমাপ্ত হোৱা বুলি ঘোষণা কৰে আৰু পেনেলৰ সদস্যসকলৰ মতামত আৰু আলোচনাৰ এক বিবৃতি দাঙি ধৰে। শেষত, মধ্যস্থতাকাৰী গৰাকীয়ে দৰ্শকৰ সৈতে আলাপ কৰে য'ত দৰ্শকেও পেনেলৰ সদস্যসকলক প্ৰশ্ন কৰাৰ আৰু নিজৰ মতামত দাঙি ধৰাৰ সুযোগ পায়। ভাৰতত সাম্প্ৰতিক সময়ৰ কেইটামান উল্লেখযোগ্য পেনেল আলোচনাৰ উদাহৰণ হ'ল, 'টাইমছ্ নাও'ত ভাৰত কাৰ্নাৰ্ডক কেন্দ্ৰ কৰি সম্প্ৰচাৰিত 'ইজ ইট ইম্পৰটেণ্ট ফ'ৰ ইণ্ডিয়া টু এণ্টাৰ এন এছ জি' ? জি টিভিত সম্প্ৰচাৰিত সপ্তম দৰমহা আয়োগৰ পৰামৰ্শৰ ওপৰত অনুষ্ঠিত পেনেল আলোচনা, এন ডি টি ভি ত সম্প্ৰচাৰিত ''ৰেচ টু ৰাইছিলাঃ নীতিশ কুমাৰ'ছ্ ব্লু' টু অপজিছন ইউনিটি' অনুষ্ঠানটো ইত্যাদি।

১১.৬ সাক্ষাৎকাৰ

সাক্ষাৎকাৰ হ'ল দুগৰাকী অথবা ততোধিক লোকৰ মাজত হোৱা কথোপকথন। এনে অনুষ্ঠানত সাক্ষাৎকাৰ লওঁতাই সাক্ষাৎকাৰ দিওতাগৰাকীৰ পৰা তথ্য আহৰণ কৰিবলৈ কিছুমান প্ৰশ্ন সোধে। সাক্ষাৎকাৰ এটা প্ৰস্তুত কৰাৰ বিভিন্ন উদ্দেশ্য থাকিব পাৰে। সাংবাদিকতাত কোনো ঘটনাৰ বিষয়ে তথ্য যুগুতাবলৈ সাক্ষাৎকাৰ লোৱা হয়। প্ৰায়ে সাক্ষাৎকাৰ দিওতাগৰাকী সামাজিক ব্যক্তি হয়। তেওঁৰ মতামত, কাৰ্যকলাপ ইত্যাদিৰ আলোচনাৰ জৰিয়তে সম্প্ৰচাৰৰ উপযোগী তথ্য আহৰণ কৰাৰ প্ৰয়াস কৰা হয়। সাক্ষাৎকাৰ একোটা ষ্টুডিঅ'তে অথবা ষ্টুডিঅ'ৰ বাহিৰত ৰেকৰ্ড কৰা হ'ব পাৰে। যদি মুখামুখি সাক্ষাৎকাৰ গ্ৰহণ কৰাটো সম্ভৱ নহয়, তেন্তে 'ভিডিঅ' কনফাৰেন্সিং' সুবিধাৰ সহায়ত সাক্ষাৎকাৰটি প্ৰস্তুত কৰিব পাৰি।

সাক্ষাৎকাৰবোৰ বিভিন্ন ধৰণে ব্যৱহাৰ কৰা হয়। যেনে- সংবাদ ক্লিপ্ () হিচাপে, কোনো সংবাদ বুলেটিনৰ অংশ হিচাপে, কোনো দীঘলীয়া অনুষ্ঠানৰ মাজত ২-৩ মিনিটৰ সংবাদ সাক্ষাৎকাৰ হিচাপে, কোনো অনুষ্ঠানৰ আৰম্ভণিত প্ৰদৰ্শিত বিস্তৃত বিষয়সূচীৰ অন্তৰ্গত একোটা দীঘলীয়া সাক্ষাযকাৰৰ কিয়দংশ হিচাপে ব্যৱহৃত টেষ্টাৰ ৰূপে, কোনো মৌলিক সাক্ষাৎকাৰৰ আঁৰৰ কাহিনী

বিৱৰণকাৰী ৩০ ছেকেণ্ডৰ পৰা ১ মিনিট দৈর্ঘ্যৰ এটা চুটি 'ৰেপ'(wrap) উপস্থাপন কৰা দৰে একেই কথা। কিন্তু ইয়াত এটা নাইবা ততোধিক ৰেকর্ডিঙৰ কিয়দংশ একেলগ কৰি চৰ পৰা প্ত মিনিটৰ বাবে পৰিৱেশন কৰা হয়। গণ মত (Vox Pop), আলেখ্য (Feature), ম'ণ্টাজ (montage) আদি হ'ল তথ্যচিত্ৰ শিতানৰ এনে কিছুমান অনুষ্ঠান য'ত কাহিনী একোটা বর্ণনা কৰিবলৈ কেৱল সাক্ষাৎকাৰ দিওতাৰ কণ্ঠ ব্যৱহাৰ কৰা হয়।

সাক্ষাৎকাৰ সাধাৰণতে তিনি প্ৰকাৰৰ প্ৰকাৰ কেইটা হ'ল-

(i) তথ্যভিত্তিক সাক্ষাৎ কাৰ

(ii) ব্যাখ্যামূলক সাক্ষাৎ কাৰ

(iii) আৱেগিক সাক্ষাৎকাৰ

তথ্যভিত্তিক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰৰ মূল উদ্দেশ্য হ'ল শ্ৰোতাৰ / দর্শকৰ মাজত তথ্যৰ সঞ্চাৰ কৰা। বিস্তৃত তথ্য আহৰণ কৰিবলৈ আৰু কোনো পৰিসংখ্যা নিৰূপণ কৰিবলৈ যথোচিত কথোপকথন তথা আলোচনা কৰা হয়। সাক্ষাৎকাৰটি প্ৰস্তুত কৰিবৰ বাবে, সাক্ষাৎ দিওতাগৰাকীক আলোচনাৰ বিষয়টো সম্পর্কে আগতীয়াকৈ জনাব লাগে, যাতে মূল সাক্ষাৎকাৰটো ৰেকর্ড কৰাৰ পূর্বে তেওঁ নিজকে সাজু কৰি ল'ব পাৰে।

ব্যাখ্যামূলক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰ তথ্য আহৰণ কৰিবলৈ লোৱা হয়। ইয়াত সাক্ষাৎকাৰ দিওতা গৰাকীক বিষয়টো সন্দর্ভত মন্তব্য দিবলৈ অথবা বিষয়টো ব্যাখ্যা কৰিবলৈ কোৱা হয়। সাক্ষাৎকাৰ দিওতাগৰাকীয়ে বিষয়টো সন্দর্ভত নিজৰ মতামত তথা যুক্তি দাঙি ধৰে। এনে মতামতে পৰৱর্ত্তী পর্যায়ৰ আলোচনাৰ বাবে বিস্তৃত অৱধাৰণা আগবঢ়ায়।

সাক্ষাৎকাৰ লওঁতা গৰাকীও বিষয়টো সম্পর্কে ভালদৰে অৱগত আৰু সতর্ক হোৱাৰ লগতে যুক্তিবোৰ বুজিব পৰাকৈ আগ্রহী হ'ব লাগিব। তেওঁ প্রয়োজন সাপেক্ষে সাক্ষাৎকাৰ দিতোগৰাকীয়ে পোষণ কৰা মতামতক প্রত্যাহ্বান জনাব লাগিব। সাক্ষাৎকাৰটিৰ মূল উদ্দেশ্য কেৱল সঠিক তথ্য আহৰণ কৰাই নহয়, বৰঞ্চ সাক্ষাৎকাৰ দিওতাগৰাকীয়ে কেনেদৰে তথ্যসমূহ ব্যাখ্যা কৰাৰ উপৰি নিজৰ প্রতিক্রিয়া ব্যক্ত কৰে সেয়া বিচাৰি উলিওৱাটোও সমানেই গুৰুত্বপূর্ণ।

আৱেগিক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰৰ জৰিয়তে সাক্ষাৎকাৰ দিওতা গৰাকীৰ মানসিক অৱস্থা তথা আৱেগিক স্থিতি অনুধাৱন কৰাৰ প্রচেষ্টা চলোৱা হয়। এই ক্ষেত্রত যুক্তিযুক্ততাতকৈ আৱেগিক সক্রিয়তাৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰা হয়। এনেকুৱা পৰিস্থিতিত সাক্ষাৎকাৰ লওঁতাগৰাকী যথেষ্ট স্পর্শকাতৰ হোৱাটো বাঞ্ছনীয়। ইয়াৰ উপৰি ৰাজহুৱা স্বার্থ ৰক্ষাৰ অর্থে সঠিক সময়ত সঠিক প্রশ্ন

সোধাটোও এনে সাক্ষাৎকাৰৰ এটা অতি গুৰুত্বপূৰ্ণ দিশ। সাক্ষাৎকাৰ দিওতা গৰাকীৰ পৰা সঠিক তথ্য আহৰণ কৰাৰ বাবে সঠিক পন্থা মানি চলাটোও সাক্ষাৎকাৰ লওঁতাগৰাকীয়ে মনত ৰাখিব লগীয়া আন এটা দিশ। এনেধৰণৰ সাক্ষাৎকাৰত সাক্ষাৎকাৰ লওঁতাজনে এক নিৰপেক্ষ পৰ্যবেক্ষকৰ ভূমিকা পালন কৰিব লাগে।

ওপৰত উল্লেখ কৰা শ্ৰেণী বিভাজন তিনিটাৰ পৰা সাক্ষাৎ কাৰৰ কলা সম্পৰ্কে এক বিস্তৃত ছবি পোৱা যায়। এই তিনিটা বিভাজনৰ উপৰি ভিন্ন বৈশিষ্ট্যৰ ভিত্তিত সাক্ষাৎকাৰক আন বাৰটা ভাগত বিভক্ত কৰিব পাৰি। সেইবোৰ হ'লঃ

১। 'হাৰ্ড নিউজ' সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰ সাধাৰণতে চুটি, যথোপযুক্ত আৰু সংবাদ বুলিটিন অথবা বিশেষ সংবাদ পৰিৱেশন কালত ব্যৱহাৰ কৰা হয়। গুৰুত্বপূৰ্ণ তথ্য, মন্তব্য তথা প্ৰতিক্ৰিয়া আদি হ'ল এনেধৰণৰ সাক্ষাৎকাৰৰ কেইটামান মুখ্য উপাদান।

২। তথা অৱগতকাৰী সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰ 'হাৰ্ডনিউজ' সাক্ষাৎকাৰৰ সৈতে প্ৰায় একেই। কিন্তু ই কেৱল গুৰুত্বপূৰ্ণ ঘটনাবোৰতেই সীমাবদ্ধ নাথাকে। জনসাধাৰণৰ মনোযোগ আকৰ্ষণ কৰা যিকোনো ঘটনা তথা চহৰৰ আশে-পাশে ঘটি থকা যিকোনো পৰিঘটনাই তথ্য অৱগতকাৰী সাক্ষাৎকাৰৰ অংশ হ'ব পাৰে।

৩। অনুসন্ধানমূলক সাক্ষাৎকাৰ ঃ

কোনো ঘটনা সংঘটিত হোৱাৰ প্ৰকৃত কাৰণ বিচাৰি উলিওৱাৰ বাবে কাৰণ আৰু লব্ধতথ্যবোৰৰ গভীৰতালৈ যাবলৈ এনেধৰণৰ সাক্ষাৎকাৰ লোৱা হয়।

৪। পৰিপন্থী সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰ প্ৰতিপক্ষত থকা ব্যক্তিগৰাকীয়ে কব নিবিছৰা কথাবোৰ স্বীকাৰ কৰোৱাবলৈ লোৱা হয়। পৰিপন্থী সাক্ষাৎকাৰৰ বিৰুদ্ধে মানহানিৰ আৰোপ উত্থাপিত হোৱাৰ সম্ভাৱনা আটাইতকৈ বেছি।

৫। ব্যাখ্যামূলক সাক্ষাৎকাৰ ঃ

ব্যাখ্যামূলক সাক্ষাৎকাৰৰ দুটা শাখা থাকে। এনে সাক্ষাৎকাৰত একে সময়তে কোনো এক ঘটনাৰ প্ৰতিক্ৰিয়া তথা বিৱৰণ বিশ্লেষণ কৰা হয়।

৬। ব্যক্তিগত সাক্ষাৎকাৰ ঃ

কোনো প্ৰখ্যাত ব্যক্তিৰ সাক্ষাৎকাৰ। এনে সাক্ষাৎকাৰত ব্যক্তিগৰাকীৰ বিষয়ে আলোচনা কৰাৰ লগতে জীৱনৰ বিভিন্ন ক্ষেত্ৰত সুপৰিচিত ব্যক্তিৰ ব্যক্তিত্ব সম্পৰ্কে বহু কথা ইচ্ছাকৃতভাৱে প্ৰকাশ কৰা হয়।

৭। আৱেগিক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎ কাৰে কোনো এক ঘটনা সন্দৰ্ভত সাক্ষাৎকাৰ দিওতা গৰাকীৰ আৱেগিক দিশটো উদঙাই দিয়ে যাতে দৰ্শকে তেওঁৰ দুখত দুখী আৰু সফলতাত সুখী যেন অনুভৱ কৰিব পাৰে।

৮। মনোৰঞ্জন মূলক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰে দৰ্শকৰ মুখত হাঁহি বিৰিঙায়। এনে সাক্ষাৎকাৰৰ বিষয়বস্তু সৰল হয় আৰু দৰ্শকৰ মনোৰঞ্জনকাৰী হয়।

৯। বাস্তৱিক সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰত সাক্ষাৎকাৰ লওঁতা গৰাকীৰ কণ্ঠ আঁতৰাই কেৱল সাক্ষ্যৎকাৰ দিওতা গৰাকীৰ কণ্ঠটো ৰখা হয়। এনেধৰণৰ কৌশল সাধাৰণতে আলেখ্য অথবা পূৰ্ণদৈর্ঘ্যৰ ছবিত দেখা পোৱা যায়।

১০। টেলিফোনত গ্ৰহণ কৰা অথবা দূৰণিবটীয়া সাক্ষাৎকাৰ ঃ

নামটোত উল্লেখ থকাৰ দৰেই, এনেধৰণৰ সাক্ষাৎকাৰ সাধাৰণতে ফোনৰ জৰিয়তে অথবা দূৰণিবটীয়া অঞ্চলত অৱস্থিত ষ্টুডিঅ'ৰ পৰা কথোপকথনৰ ৰূপত সম্প্ৰচাৰ কৰা হয়। সাধাৰণতে, সাক্ষাৎকাৰ দিওতাগৰাকী ৰেকর্ডিঙৰ বাবে ষ্টুডিঅ'ত উপস্থিত থাকিব নোৱাৰিলে এনেধৰণৰ সাক্ষাৎকাৰ গ্ৰহণৰ ব্যৱস্তা কৰা হয়।

১১। ভক্স পপুলি অথবা জনমত / একাধিক ব্যক্তিৰ সাক্ষাৎকাৰ ঃ

এনেধৰণৰ সাক্ষাৎকাৰৰ জৰিয়তে নির্দিষ্ট বিষয় সন্দর্ভত সমাজৰ বিভিনন স্তৰৰ লোকৰ পৰা মতামত লোৱা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰত এনেধৰণৰ সাক্ষাৎকাৰক 'বাটৰুৱাৰ সাক্ষাৎকাৰ' বুলি কোৱা হয়।

১২। সুযোগ বুজি তৎক্ষণাত গ্ৰহণ কৰা সাক্ষাৎকাৰ ঃ

ই এক ব্যতিক্ৰম সাক্ষাৎকাৰ। সাক্ষাৎকাৰ দিওতাগৰাকীয়ে এনে সাক্ষাৎকাৰত অংশগ্ৰহণ কৰিব নিবিচাৰে। কিন্তু সাক্ষাৎকাৰ লওঁতাজনে দৃঢ় সংকল্পৰদ্ধভাৰে সাক্ষাৎকাৰটি সম্পন্ন কৰে। এনে ধৰণৰ সাক্ষাৎকাৰ সাধাৰণতে চুটি হয় আৰু কেৱল দুটা অথবা কেইটামান মন্তব্যৰহে আদান-প্ৰদান ঘটে।

১১.৭ তথ্যচিত্ৰ

১৯৪৮ চনত 'ৱৰ্ল্ড ইউনিয়ন অৱ ডকুমেণ্টৰী'- এ তথ্যচিত্ৰৰ সংজ্ঞা দাঙি ধৰি কৈছিল যে "অর্থনৈতি, সংস্কৃতি আৰু মানৱ সম্পর্কৰ ক্ষেত্ৰবোৰৰ সৈতে জড়িত সমস্যা তথা সমাধানবোৰ সততা সহকাৰে উপস্থাপন কৰিবলৈ, মানৱ জ্ঞান আৰু আকলনৰ পৰিসৰ ব্যাপক কৰিবলৈ, মানুহৰ জনাৰ আগ্ৰহক উদ্দীপনা যোগোৱাৰ উদ্দেশ্যেৰে, যুক্তিযুক্ততা অথবা আৱেগ আকর্ষণকাৰী ঐকান্তিক আৰু ন্যায্যতাপ্ৰদানকাৰী পুনর্নির্মাণৰ কৰা ব্যখ্যাৰ সহায়ত বাস্তৱৰ যিকোনো দিশ চেলুলয়ড মাধ্যমত ৰেক'র্ডিং কৰাৰ সকলোবোৰ পদ্ধতিকে তথ্যচিত্ৰ বোলে।" তথ্যচিত্ৰ হ'ল জীৱনৰ প্ৰকৃত ঘটনা অথবা পৰিস্থিতিবোৰৰ প্ৰতিনিধিত্বকাৰী কিছুমান অকাল্পনিক ছবি। ব্ৰিটিছ তথ্যচিত্ৰ প্ৰতিষ্ঠানৰ (School) এগৰাকী মুখ্য ব্যক্তি জন গ্ৰিয়াৰছনে "তথ্যচিত্ৰ মূল্য" (Documentary Value) অভিধাটো প্ৰচলন কৰিছিল। ১৯৬২ চনৰ ৰ'বার্ট ফ্লেহার্টীৰ এখন ছবি ব্যাখ্যা কৰিবলৈ তেওঁ এই

নামটো প্ৰথমবাৰ ব্যৱহাৰ কৰিছিল। গ্ৰিয়াৰছনে "তথ্যচিত্ৰ মূল্য" আখ্যা দিয়া ছবিখন আছিল "মোৱানা"। তথ্যচিত্ৰখনত প'লীনেছিয়া অঞ্চলৰ এটা সৰু ল'ৰাৰ দৈনন্দিন জীৱনৰ হুবহু ছবি দাঙি ধৰা হৈছিল।

তথ্যচিত্ৰসমূহ মূলতঃ ছটা ভাগত বিভক্ত কৰিব পাৰি। ভাগকেইটা তলত উল্লেখ কৰা হ'লঃ

১। কাব্যিক তথ্যচিত্ৰ ঃ

১৯২০ ৰ দশকত পোনপ্ৰথমবাৰৰ বাবে কাব্যিক তথ্যচিত্ৰ নিৰ্মাণ কৰা হয়। দৰ্শকক তথ্য যোগান ধৰাৰ পৰিৱৰ্ত্তে কাব্যিক তথ্যচিত্ৰই এক নিৰ্দ্দিষ্ট মেজাজ তথা ব্যঞ্জনাৰ সৃষ্টি কৰে। ইয়াত পাৰ্থিৱ পৃথিৱীৰ বিভিন্ন ছবিৰ সংযোজন আৰু আৰ্হিৰ মাধ্যমেৰে সজাবলৈ এক পৃথক পন্থা অৱলম্বন কৰা হয়। সেয়েহে, ইয়াত সময় আৰু স্থান উভয় দিশতে কথাছবি সম্পাদনাৰ ধাৰাবাহিকতাৰ ভিন্নতা দেখা যায়। এই তথ্যচিত্ৰবোৰক বোলছবিৰ কলাসুলভ নব্যধাৰাৰ উন্মেষৰ সৈতে জড়িত কৰা হয়। অন্য কলাত ব্যৱহাৰ নকৰা বহুতো অগতানুগতিক আহিলা এনে তথ্যচিত্ৰত ব্যৱহাৰ কৰা হয়। এনে তিনিবিধ আহিলা হ'ল- ভগ্নাংশ (Fragmentary), প্ৰতীতিবাদী (impressionistic) আৰু গীতিকাব্যিক (lyrical) আহিলা।

২। ব্যাখ্যাত্মক তথ্যচিত্ৰ ঃ

ব্যাখ্যাত্মক তথ্যচিত্ৰ পৰম্পৰাগত তথ্যচিত্ৰৰ সৈতে জড়িত । ই কোনো এক আলোচনা অথবা তৰ্ক বিভিন্ন ছবিৰ সহায়ত বৰ্ণনা কৰে। এনে তথ্যচিত্ৰত এক প্ৰভাৱশালী নেপথ্য মাত অথবা শিৰোনাম ব্যৱহাৰ কৰা হয়। ই দৰ্শকৰ ওপৰত প্ৰত্যক্ষভাৱে ক্ৰিয়া কৰে আৰু এক শক্তিশালী মতামত অথবা বিতৰ্ক সৃষ্টিত অৰিহণা যোগায় । নেপথ্যৰ মাতটোৱে প্ৰায়ে উদ্দেশ্যসমূহ উপস্থাপন কৰে আৰু ছবিসমূহে উপস্থাপিত বিতৰ্কটো আগবঢ়াই নিয়ে।

৩। পৰ্যবেক্ষণশীল তথ্যচিত্ৰ ঃ

এনে তথ্যচিত্ৰই নিৰ্দেশকজনক বিষয়বস্তুটোৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত নোহোৱাকৈ বাস্তৱ জীৱনৰ পৰিস্থিতি ৰেকৰ্ড কৰাৰ সুযোগ দিয়ে। এই ক্ষেত্ৰখনত যিসকলে কাম কৰে, সেইসকলে কাব্যিক তথ্যচিত্ৰক অত্যাধিক বিমূৰ্ত (abstract) বুলি গণ্য কৰে। তেওঁলোকে ব্যাখ্যাত্মক তথ্যচিত্ৰকো অত্যধিক তথ্যমূলক বুলি গণ্য কৰে। পৰ্য্যবেক্ষণশীল তথ্যচিত্ৰসমূহৰ লক্ষ্য তথা উদ্দেশ্য হ'লসাধাৰণ জীৱনৰ সৈতে জড়িত পৰিস্থিতি তাৎক্ষণিকতা, ঘনিষ্ঠতা আৰু ব্যক্তিগত মানৱ চৰিত্ৰ প্ৰকাশ কৰা।

৪। অংশগ্ৰহণমূলক তথ্যচিত্ৰ ঃ

অংশগ্ৰহণমূলক তথ্যচিত্ৰই চলচিত্ৰ নিৰ্মাতা আৰু চলিচিত্ৰৰ বিষয়টোৰ মাজৰ সম্পৰ্ক উপস্থাপন কৰে। নিৰ্দেশক গৰাকীয়ে অনুসন্ধানকাৰীৰ ভূমিকা লৈ অপৰিচিত এলেকাত প্ৰৱেশ কৰে, অচিনাকি মানুহৰ জীৱন শৈলীৰ অংশীদাৰ হয় আৰু ছবিখনৰ জৰিয়তে প্ৰত্যক্ষ আৰু গভীৰ অভিজ্ঞতা লাভ কৰাৰ লগতে জীৱনৰ প্ৰতিফলন দেখিবলৈ পায়। ইয়াৰ উপৰি এনে তথ্যচিত্ৰৰ কাহিনী কথনৰ আৰ্হিটোৱে জনগোষ্ঠীসমূহক তেওঁলোকৰ নিজস্ব কাহিনী সংগ্ৰহ তথা প্ৰসাৰৰ ক্ষেত্ৰত জড়িত হোৱাৰ সুযোগ দিয়ে।

৫। প্ৰত্যাৱৰ্তনশীল তথ্যচিত্ৰ ঃ

এনেধৰণৰ তথ্যচিত্ৰৰ নিজস্ব নিৰ্মাণ তথা উপস্তাপন শৈলীক বিশ্বৰ খিৰিকী স্বৰূপ বুলি গণ্য কৰে াৰু কথাছবি সমূহ দ্বাৰা এই দিশত দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে। এনে তথ্যচিত্ৰৰ মৌলিকতা আৰু নিৰ্ভৰযোগ্যতাৰ ওপৰত প্ৰায়ে প্ৰশ্ন তোলা হয় আৰু এইবোৰক প্ৰত্যাহ্বান জনোৱা হয়।

১। প্ৰদৰ্শনমূলক তথ্যচিত্ৰ ঃ

প্ৰদৰ্শনমূলক তথ্যচিত্ৰই ব্যক্তিনিষ্ঠ অভিজ্ঞতা আৰু আৱেগিক সঁহাৰিক প্ৰতিফলিত কৰে। এনে তথ্যচিত্ৰই বাস্তৱিক উপস্থাপনৰ হাবিয়াস ৰখাৰ পৰিৱৰ্ত্তে, অভিব্যক্তিশীলতা, কাব্য আৰু বাগ্মিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ই প্ৰায়ে ব্যক্তিগত বিৱৰণ তথা অভিজ্ঞতাক বৃহত্তৰ ৰাজনৈতিক অথবা ঐতিহাসিক বাস্তৱ সৈতে সংলগ্ন কৰে।

১২.৮ শৈক্ষিক টেলিভিছন

টেলিভিছন জনসাধাৰণৰ মাজত জ্ঞান আৰু তথ্য সঞ্চাৰ কৰাৰ এক মাধ্যমত পৰিণত হৈছে। বহুতো শিশুকেন্দ্ৰিক টেলিভিছন অনুষ্ঠানৰ প্ৰকৃতি শৈক্ষিক। উৎসৰ্গিত শিক্ষাভিত্তিক অনুষ্ঠানৰ পৰা আৰম্ভ কৰি পৰোক্ষভাৱে দৰ্শকক শিক্ষা প্ৰদান কৰা আটাইবোৰ অনুষ্ঠানেই শৈক্ষিক টেলিভিছনৰ অন্তৰ্গত। কিছুমান অনুষ্ঠানৰ প্ৰত্যেকটো অধ্যায়ৰ অন্তত একো একোটা নীতিকথা থাকে। শেষফালে নীতিকথাটো বুজি পোৱা চৰিত্ৰ এটাই দৰ্শকৰ বাবে ইয়াৰ ব্যাখ্যা আগবঢ়ায়।

শৈক্ষিক টেলিভিছন অনুষ্ঠানসমূহে পুৰণি আৰু আনুষ্ঠানিক শৈক্ষিক প্ৰক্ৰিয়াটোৰ সংপূৰক হিচাপে কাম কৰে। এনেধৰণৰ অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিক শিক্ষা পৰিসৰৰ বাহিৰৰ জ্ঞান আহৰম কৰাত উদগনি যোগায়। শৈক্ষিক অনুষ্ঠান বিভিন্ন প্ৰকাৰৰ আছে। দুটামান উদাহৰণ হ'ল- দূৰ আৰু মুক্ত শিক্ষা, স্বাস্থ্য আৰু বিজ্ঞান, কৃষি বিজ্ঞান, স্বাক্ষৰতা অভিযান, গ্ৰাম্য উন্নয়ণ কাৰ্যসূচী পৰিয়াল কল্যাণ আৰু পৰিকল্পনা, সাহিত্য, কলা, সাংস্কৃতিক ঐতিহ্য, নৃত্য, সংগীত ইত্যাদি। ১৯৬১ চনত দিল্লীৰ পৰা শৈক্ষিক টেলিভিছন (ই টি ভি)ৰ অনুষ্ঠান সম্প্ৰচাৰ কাৰ্য আৰম্ভ হয়। দিল্লীৰ বিদ্যালয়সমূহৰ বিজ্ঞান শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শিক্ষাভিত্তিক অনুষ্ঠান সম্প্ৰচাৰৰ উদ্দেশ্যৰে শৈক্ষিক টেলিভিছনৰ অনুষ্ঠান সম্প্ৰচাৰ আৰম্ভ কৰা হৈছিল। লাহে লাহে, এই অনুষ্ঠান সমূহ সাদৃশ্য থকা অন্যান্য বিষয় সামৰি লৈ দেশৰ বিভিন্ন অঞ্চলতো সম্প্ৰচাৰ কৰাৰ ব্যৱস্থা লোৱা হয়।

পৰৱৰ্ত্তী সময়ত, শৈক্ষিক অনুষ্ঠানসমূহ বোম্বে, কলিকাতা, মাদ্ৰাজ আৰু শ্ৰীনগৰলৈও সম্প্ৰসাৰিত হয়। উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত এই সেৱাৰ সংযোজন ঘটোৱা হয়। ১৯৮৪ চনত, বিভিন্ন বিশ্ববিদ্যালয়ত প্ৰস্তুত হোৱা অনুষ্ঠানসমূহৰ মাজত সংহতি স্থাপনৰ উদ্দেশ্যেৰে নতুন দিল্লীস্থিত জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ত 'বিশ্ববিদ্যালয় অনুদান আয়োগে' এটা আই এছ এ টি (ISAT) কোষ স্থাপন কৰে। ইয়াৰ সহায়ত উচ্চ শিক্ষাৰ বিভিন্ন অনুষ্ঠান সম্প্ৰচাৰৰ দিহা কৰা হয়। ইউ জি চি (UGC) য়ে প্ৰচলন কৰা এই উচ্চ শিক্ষা ব্যৱস্থাটোৰ নাম আছিল

'কাউণ্ট্ৰীৱাইজ ক্লাছৰূপ' (Countrywide Classroom) অনুষ্ঠান সম্প্ৰচাৰৰ বাবে দেশৰ বিভিন্ন প্ৰান্তত দৃশ্য-শ্ৰাব্য গৱেষণা কেন্দ্ৰ (SVRC) আৰু শৈক্ষিক সংবাদ মাধম গৱেষণা কেন্দ্ৰ (EMRC) স্থাপন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সাময়িক প্ৰসংগ বুলিলে কি বুজে?

.....

প্ৰশ্ন নং ২ ঃ ভাৰতীয় টেলিভিছনৰ সংবাদ চেনেলবোৰৰ দ্বাৰা প্ৰচলিত কেইটামান পেনেল আলোচনাৰ উদাহৰণ দিয়ক।

.....

প্ৰশ্ন নং ৩ ঃ সাক্ষাৎকাৰৰ তিনিটা প্ৰধান প্ৰকাৰ কি কি?

.....

প্ৰশ্ন নং ৪ ঃ ব্যাখ্যাত্মক তথ্যচিত্ৰ বুলিলে কি বুজে ?

.....



চিন্তা-চৰ্চা কৰক ১২.১

তথ্যচিত্ৰৰ যিকোনো এটা প্ৰকাৰৰ আৰ্হিত এখন চুটি তথ্যচিত্ৰ প্ৰস্তাৱনা প্ৰস্তুত কৰক।

১২.৯ মনোৰঞ্জন

মনোৰঞ্জন ভিত্তিক অনুষ্ঠানবোৰ হ'ল সেইবোৰ অনুষ্ঠান যিবোৰ তথ্য আৰু জ্ঞান আহৰণত সীমাৱদ্ধ থকাৰ পৰিৱৰ্ত্তে সহজে বুজিব পৰাবিধৰ বিষয়বস্তুৰ ওপৰত সম্পাদিত হয়। প্ৰখ্যাত ব্যক্তিক প্ৰমুখ্য কৰি সম্প্ৰচাৰিত প্ৰচাৰমুখী ফুটেজ বাৰ্তালোচনা তথা সাক্ষাৎকাৰ অনুষ্ঠান, বঁটা প্ৰদান অনুষ্ঠান, সংগীত অনুষ্ঠান আৰু কৃতজ্ঞতা জ্ঞাপনকাৰী তথা উৎসৰ্গিত অনুষ্ঠান আদিতে মনোৰঞ্জন ভিত্তিক অনুষ্ঠানৰ উদাহৰণ। ইয়াৰ উপৰি, মনোৰঞ্জন ভিত্তিক আলোচনী অনুষ্ঠান; বাস্তৱ ভিত্তিক অনুষ্ঠান, মনোৰঞ্জনকাৰীৰ দ্বাৰা প্ৰদৰ্শিত পুঁজি অৰ্জনকাৰী () অনুষ্ঠান; বিশ্লেষণ তথা ব্যাখ্যাত সঠিক গভীৰতা নথকা জনসাধাৰণৰ ৰুচিভিত্তিক পোনপটীয়া অথবা টেইপ ফুটেজত অনুষ্ঠান; আৰু বিভিন্ন থলুৱা জনজাতীয় উৎসৱ, সমদল, সংগীত অনুষ্ঠান তথা ফেশ্বন অনুষ্ঠান আদিও মনোৰঞ্জন কেন্দ্ৰিক অনুষ্ঠানৰ অন্তৰ্গত। এনে তথ্যচিত্ৰত গভীৰ বিশ্লেষণ নাইবা ব্যাখ্যাৰ

প্ৰয়োজন নথকা তাৎপৰ্যপূৰ্ণ অংশ থকাৰ সলনি মানৱীয় আগ্ৰহ জড়িত থকা পোনপটীয়া অথবা টেইপ ফুটেজ সন্নিৱিষ্ট কৰা হয়।



১২.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁঃ

- বাতৰি বিবৃতিৰ বিভিন্ন প্ৰকাৰ হ'ল- শেহতীয়া বিশেষ সংবাদ পৰিকল্পিত ডাঙৰ ঘটনা, পোনপটীয়া সম্প্ৰচাৰ আৰু টেপিত আৱদ্ধ ঘটনা (taped stories)
- পেনেল আলোচনা হ'ল এনে এক মঞ্চ য'ত তিনি অথবা চাৰিগৰাকী বিজ্ঞ লোকে এক নিৰ্দ্দিষ্ট বিষয়ৰ সন্দৰ্ভত নিজৰ নিজৰ মতামত ব্যক্ত কৰে।
- ব্যাখ্যামূলক সাক্ষাৎকাৰৰ জৰিয়তে কেৱল সঠিক তথ্য আহৰণ কৰাই নহয়, সাক্ষাৎকাৰ দিওতা গৰাকীয়ে তেওঁক সোধা প্ৰশ্নসমূহ কিদৰে ব্যাখ্যা কৰে অথবা সেই সন্দৰ্ভত কেনেধৰণৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে সেয়াও বিচাৰ কৰি চোৱা হয়।
- ছটা বিভিন্ন ধৰণৰ তথ্যচিত্ৰৰ প্ৰকাৰ হ'ল- কাব্যিক, ব্যাখ্যাত্মক, পৰ্যবেক্ষণশীল, অংশগ্ৰহণমূলক , প্ৰত্যাৱৰ্তনশীল আৰু প্ৰদৰ্শনমূলক তথ্যাচিত্ৰ।
- ১৯৮৪ চনত, বিভিন্ন বিশ্ববিদ্যালয়ত প্ৰস্তুত কৰা অনুষ্ঠানসমূহৰ মাজত সংহতি স্থাপনৰ বাবে নতুন দিল্লীস্থিত জামিয়া মিলিয়া ইছলামিয়াত বিশ্ববিদ্যালয় অনুদান আয়োগে এটা আই এছ এ টি (JSAT) কোষ স্থাপন কৰে। ইয়াৰ সহায়ত উচ্চ শিক্ষাৰ বিভিন্ন অনুষ্ঠান সম্প্ৰচাৰৰ দিহা কৰা হয়।
- প্ৰয়োজনা নিয়ন্ত্ৰণ কক্ষ (পি চি আৰ) ক "প্ৰযোজনা ট্ৰাক" (Production Truck), "ভ্ৰাম্যমান গোট" (Mobile Unit), 'ৰিমোট ট্ৰাক' (Remote Truck) লাইভট্ৰাক (live truck) অ' ৰি ভেন (OB Van) অথবা লাইভ আই (live eye) আদি নামেৰেও জনা যায়।



১২.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Aufderhide, Patricia, (2010), Documentary Film: A Very Short Introductio, Published by Oxford University Press, USA.
2. Yorke, Ivor, (2003), 'Television News', Published by Taylor & Francis.
3. Hilliard, Robert L., (2008), 'Writing for Television, Radio, and News Me-

dia; Published by Cerngage Learning, USA.

4. Creeber, Glen (2015), 'The Television Genre Book,' Published by Palgrave, London.



১২.১২ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ

সাময়িক প্ৰসংগৰ টেলিভিছন অনুষ্ঠানসমূহে সংবাদ অনুষ্ঠানত সম্ভৱপৰ হোৱাতকৈ অধিক গভীৰভাৱে ঘটনাসমূহ চালি-জাৰি চায়। এই অনুষ্ঠানবোৰ বাতৰিৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি সম্পাদিত হয় আৰু ই বিষয়বস্তুক গভীৰতা, প্ৰাসংগিকতা আৰু ব্যাপকতা প্ৰদান কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ

ভাৰতীয় টেলিভিছন সংবাদ ছেনেলৰ কেইটামান উল্লেখযোগ্য পেনেল আলোচনাৰ উদাহৰণ হ'ল-'টাইমছ্ নাও'অ ভাৰত কাৰ্নাডক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা 'ইজ ইট ইম্প'ৰটেণ্ট ফ'ৰ ইণ্ডিয়া টু এণ্টাৰ এন এছ জি?" শীৰ্ষক অনুষ্ঠানটো, জি টিভিত সপ্তম দৰমহা আয়োগৰ পৰামৰ্শক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা পেনেল আলোচনা, এন ডি টি ভিত সম্প্ৰচাৰিত "ৰেচ টু ৰাইছিনাঃ নীতিশ কুমাৰ্ছ ব্ৰ' টু অপজিছন ইডনিটি' শীৰ্ষক অনুষ্ঠানটো।

৩ নং প্ৰশ্নৰ উত্তৰঃ

সাক্ষাৎকাৰৰ তিনিটা প্ৰধান প্ৰকাৰ তলত উল্লেখ কৰা হ'ল-

i) তথ্যভিত্তিক সাক্ষাৎকাৰ,

ii) ব্যাখ্যামূলক সাক্ষাৎকাৰ আৰু

iii) আৱেগিক সাক্ষাৎকাৰ

৪ নং প্ৰশ্নৰ উত্তৰঃ

ব্যাখ্যাত্মক তথ্যচিত্ৰত এক প্ৰভাৱশালী নেপথ্য কণ্ঠ ব্যৱহাৰ কৰা হয় আৰু ই দৰ্শকৰ ওপৰত প্ৰত্যক্ষভাৱে ক্ৰিয়া কৰি এক শক্তিশালী মতামত অথবা বিতৰ্কৰ সৃষ্টি কৰে। নেপথ্যৰ কণ্ঠটোৱে প্ৰয়েই উদ্দেশ্যসমূহ উপস্থাপন কৰে আৰু ছবিসমূহে বিতৰ্কটো আগবঢ়াই নিয়ে।



১২.১৩ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

১ নং প্ৰশ্নঃ শেহতীয়া বিশেষ সংবাদ বুলিলে কি বুজে?

২ নং প্ৰশ্নঃ পোনপটীয়া সম্প্ৰচাৰ বুলিলে কি বুজে?

৩ নং প্ৰশ্নঃ ব্ৰিটেইনত সম্প্ৰচাৰিত প্ৰথমটো সাময়িক প্ৰসংগৰ অনুষ্ঠানৰ নাম কি আছিল।

(খ) চুটি প্ৰশ্নঃ (প্ৰায় ৩০০- টা শব্দত উত্তৰ দিয়ক)

১ নং প্ৰশ্নঃ তথ্য ভিত্তিক সাক্ষাৎকাৰ বুলিলে কি বুজে?

২ নং প্ৰশ্নঃউদাহৰণৰ সৈতে কাব্যিক তথ্যচিত্ৰৰ এটা চমুটোকা লিখক।

৩ নং প্ৰশ্নঃ পেনেল আলোচনা এটা প্ৰস্তুত কৰাৰ সময়ত মানি চলা বিভিন্ন পৰ্যায় কি কি?

(গ) চুটি প্ৰশ্নঃ (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

১ নং প্ৰশ্নঃ টেলিভিছনত সম্প্ৰচাৰিত বিভিন্ন প্ৰকাৰৰ সাক্ষাৎকাৰৰ বিৱৰণ দিয়ক।

২ নং প্ৰশ্নঃ বিভিন্ন ধৰণৰ তথ্যচিত্ৰ সম্পৰ্কে আলোচনা কৰক।

****